Daily Assam

সপ্তম অধ্যায়

# বৌদ্ধিক, সাংস্কৃতিক আৰু আধ্যাত্মিক ঐতিহ্য

## প্ৰয়োজনীয় তথ্য

সাহিত্যই এটা জাতিক প্ৰতিনিধিত্ব কৰে। সাহিত্যক বিভিন্ন প্ৰকাৰত বিভক্ত কৰিব পাৰি ঃ প্ৰাচীন সাহিত্য, মধ্যযুগীয় সাহিত্য আৰু আধুনিক সাহিত্য। সাহিত্যিক সমলসমূহে তদানীন্তন সমাজ ব্যৱস্থা অধ্যয়নৰ বৰঙণি যোগায়। ইয়াৰ উপৰি চিত্ৰ, নৃত্য, গীতসমূহ মানুহৰ সুকুমাৰ অনুভূতিসমূহ প্ৰকাশ এক মাধ্যম। অসমত প্ৰাচীন কালৰে পৰা এই কলাৰ চৰ্চা হৈছে আৰু ই উৎকৃষ্ট মানৰ।

## বৌদ্ধিক ঐতিহ্য ঃ

সাহিত্য সমাজ জীৱনৰ দাপোণস্বৰূপ। গতিকে যিকোনো যুগৰ সাহিত্যই সেই যুগৰ ইতিহাস বহন কৰে। অসমৰ প্ৰাচীন ইতিহাস অধ্যয়নতো ইয়াৰ স্থানীয় বা চুবুৰীয়া ৰাজ্যৰ সাহিত্যসমূহ ইতিহাসৰ অমূল্য সম্পদ। কিন্তু মধ্যযুগৰ অসমৰ সাহিত্য যিমানখিনি পোৱা যায়, অতি প্ৰাচীন কালৰ ইতিহাস চৰ্চাত সহায়ক হোৱাকৈ পৰ্যাপ্ত পৰিমাণে সাহিত্য পোৱা নাযায়। সেয়ে সেই যুগৰ অসমৰ ইতিহাসৰ বিষয়ে জানিবলৈ হ'লে বহু ক্ষেত্ৰত সাহিত্যিক সমল বিচাৰি ভাৰতীয় সংস্কৃত সাহিত্যৰো সহায় ল'ব লগা হয়। এই বৌদ্ধিক ঐতিহ্যসমূহে অসমীয়া সংস্কৃতিক অনন্য মাত্ৰা প্ৰদান কৰিছে।

অসমত সৃষ্টি হোৱা প্ৰাচীন সাহিত্যও সাংস্কৃতিক জীৱনৰ অন্য এটা দিশ। অসমত সংস্কৃত আৰু অসমীয়া— এই দুই ভাষাতেই সাহিত্য চৰ্চা হৈছিল। কালিকাপুৰাণ নামৰ উপ-পুৰাণখন প্ৰাচীন অসমতেই লিখা হৈছিল বুলি বহুতৰ ধাৰণা। তদুপৰি চৰ্যাপদ বা চৰ্যাগীতসমূহো অসমীয়া ভাষা চৰ্চাৰ প্ৰথম স্তৰৰ সাহিত্য বুলি বহু পণ্ডিতে ক'ব বিচাৰে। খ্ৰীষ্টীয় ৭ম আৰু ৮ম শতিকাত এই চৰ্যাপদসমূহ লিখা হৈছিল বুলি ভাষা-সাহিত্যৰ পণ্ডিতসকলে কয়। অসমৰ হিন্দুকৃত জনজাতীয় ৰজাসকলেই সংস্কৃত সাহিত্য চৰ্চাত অহোপুৰুষাৰ্থ কৰিছিল। এয়া আছিল তেওঁলোকৰ সংস্কৃত স্তৰলৈ উত্তৰণ ঘটাৰ গুৰুত্বপূৰ্ণ প্ৰয়াস। অসমীয়া ভাষাতো আহোম ৰজাসকলে বুৰঞ্জী ৰচনা কৰাইছিল আৰু কোঁচৰজাসকলে বংশাৱলী প্ৰণয়ন কৰাইছিল। তাৰ উপৰি কমতা ৰাজ্যৰ সময়তো সাহিত্যৰ চৰ্চা চলিছিল। সংস্কৃত ভাষাত খোদিত কৰা শিল আৰু তামৰ প্ৰাচীন ফলিবোৰ এতিয়াও কলা-সংস্কৃতিৰ বাহক হৈ আছে। মন কৰিবগীয়া যে — অসমীয়া আৰু সংস্কৃত ভাষাৰ প্ৰতি এনে ৰজাঘৰীয়া পৃষ্ঠপোষকতাৰ ফলত বহুতো থলুৱা জনজাতীয় ভাষাৰ মৃত্যুও ঘটিছিল।

খ্ৰীঃ ১০ম শতিকামানত অসমতে প্ৰণয়ন কৰা 'কালিকা পুৰাণ'ত সমসাময়িক থলুৱা ৰাজনৈতিক আৰু সাংস্কৃতিক অৱস্থাৰ বিষয়ে বহল বৰ্ণনা পোৱাৰ উপৰি প্ৰাচীন সমাজ-সংস্কৃতিৰ ওপৰতো ই পোহৰ পেলায়।

ষোড়শ শতিকাত অসমত লিখা যোগিনীতন্ত্ৰত প্ৰাচীন অসমৰ ভৌগোলিক অৱস্থান আৰু সাংস্কৃতিক জীৱনৰ বিষয়ে উল্লেখ আছে। তেনেদৰে হৰগৌৰী সংবাদত দিয়া তথ্যৰপৰা কামৰূপ ৰাজ্যৰ ৰজাসকলৰ পৰিচয় পোৱা যায়। দীপিকাছন্দও তেনে সম্বলযুক্ত অন্য এখন তান্ত্ৰিক ধৰ্মীয় গ্ৰন্থ। পাগ-চোম-জোন ঝন, ডাকাৰ্ণব কৌলজ্ঞান নিৰ্ণয়, অকুলবীৰ তন্ত্ৰ, গোৰক্ষ বিজয় গোৰক্ষ সংহিতা, কুলাৰ্ণৱ, কামৰত্নতন্ত্ৰ আদি গ্ৰন্থসমূহৰপৰা মীননাথ আৰু গোৰক্ষনাথৰ বিষয়ে জানিব পৰা যায়। ইয়াৰ উপৰি হৰগৌৰীবিলাস, কালিকা পুৰাণ, ভূঞাৰ পুথি বা আদি চৰিত আদি অসমত সৃষ্টি হোৱা গ্ৰন্থসমূহ বুৰঞ্জীৰ সাহিত্যিক সমল।

আহোম যুগত সৃষ্টি হোৱা সাহিত্যসমূহক কেইটামান ভাগত ভগাব পাৰি। সেইবোৰ হ'ল— বুৰঞ্জী সাহিত্য, ধৰ্মীয় সাহিত্য, অনুবাদ আৰু অন্যান্য সাহিত্য, ব্যাকৰণ, বিজ্ঞান আৰু চিকিৎসাবিজ্ঞানৰ সাহিত্য। আহোম স্বৰ্গদেউসকলে ৰাজ্যখনৰ বুৰঞ্জী লিখি থোৱাটো নিয়ম কৰি দিছিল। সেই কাৰণেই তেওঁলোকৰ দিনত বহুতো বুৰঞ্জী পুথি লেখা হৈছিল। অৱশ্যে, অনুমান কৰিব পাৰি যে আহোমসকলৰ মাজত প্ৰথম অৱস্থাত সাঁচিপাতৰ প্ৰচলন নাছিল। বোধহয় চীন দেশৰ আৰ্হিত বাঁহৰ

চেঁচু বা পাটি একোচলাতহে কথাবোৰ লিখি ৰখা হৈছিল। সেয়ে প্ৰথম অৱস্থাৰ বুৰঞ্জীবিলাক অতি সংক্ষিপ্ত আছিল।

বুৰঞ্জী লিখা প্ৰথাটো আহোমসকলৰ সংস্কৃতিৰ অবিচ্ছেদ্য অংগ আছিল। টাই ভাষাত 'বুৰঞ্জী' মানে মূৰ্খ বা নজনা মানুহৰ শিক্ষাৰ ভঁৰাল (বু— মূৰ্খ বা অজ্ঞ, ৰণ— শিক্ষা, জী— ভঁৰাল)। প্ৰখ্যাত ভাষাতত্ত্ববিদ গ্ৰীয়াৰ্চনৰ মতে, এসময়ত বুৰঞ্জীৰ জ্ঞান থকাটো প্ৰত্যেক উচ্চ আহোম পৰিয়ালৰ বাবেই বাধ্যবাধকতা আছিল। গতিকেই আহোমসকলৰ ৰাজত্ব কালত বহুত বুৰঞ্জী লিখা হয়। জন্ম-মৃত্যুৰ খবৰৰপৰা আৰম্ভ কৰি দেশৰ সকলো আৱশ্যকীয় ঘটনা বুৰঞ্জীত সন্নিৱিষ্ট কৰিবলৈ প্ৰতিষ্ঠাপক ৰজা চুকাফাই তেওঁৰ ৰাজসভাৰ পণ্ডিতসকলক আদেশ কৰিছিল। ফলস্বৰূপে তেওঁৰ দিনৰপৰা আৰম্ভ কৰি আহোম ৰাজত্বৰ শেষলৈকে অসংখ্য বুৰঞ্জী পুথি লিখা হৈছিল। তাৰে প্ৰথম অৱস্থাত লিখা বুৰঞ্জীসমূহৰ ভাষা টাই আছিল যদিও শেষৰফালে স্বৰ্গদেউসকল ব্ৰাহ্মণ্য ধৰ্মত দীক্ষিত হোৱাৰ পিছত মূলতঃ অসমীয়া ভাষাতেই এইবোৰ লিখোৱা হৈছিল। আহোম ৰাজত্বৰ শাসননীতি, অৰ্থনৈতিক অৱস্থা, ৰাজনৈতিক অৱস্থা আদিৰ বিষয়ে জানিব পৰাৰ উপৰি চুবুৰীয়া কোঁচ, কছাৰী, চুতীয়া, জয়ন্তীয়া, ত্ৰিপুৰা আদি ৰাজ্যৰ ঐতিহাসিক বৰ্ণনাও এই বুৰঞ্জীবিলাকত সংকলিত হৈ আছে। তুংখুঙীয়া ফৈদৰ ৰজা ৰাজেশ্বৰসিংহৰ (১৭৫১—১৭৬৯খ্ৰীঃ) দিনত কীৰ্তিচন্দ্ৰ বৰবৰুৱাই নিজ অভিসন্ধি পূৰণৰ কাৰণে বহুত মূল্যৱান বুৰঞ্জী পুথি জুইত পুৰি ধ্বংস কৰে। তথাপি বৰ্তমানে থকা আৰু প্ৰকাশিত বুৰঞ্জীসমূহৰ ভিতৰত লেখত ল'ব লগা কেইখনমান হ'ল— ৰায়চাহাব গোলাপচন্দ্ৰ বৰুৱাৰ দ্বাৰা অনূদিত আহোম বুৰঞ্জী, পুৰণি অসম বুৰঞ্জী, কামৰূপৰ বুৰঞ্জী, সুকুমাৰ মহন্তৰ ঘৰৰপৰা আনি প্ৰকাশ কৰা অসম বুৰঞ্জী, সাতসৰী অসম বুৰঞ্জী, তুংখুঙীয়া বুৰঞ্জী, হৰকান্ত বৰুৱাৰ অসম বুৰঞ্জী, দেওধাই অসম বুৰঞ্জী, অসমৰ পদ্য বুৰঞ্জী, কছাৰী বুৰঞ্জী, জয়ন্তীয়া বুৰঞ্জী, ত্ৰিপুৰা বুৰঞ্জী, পাদছাহ বুৰঞ্জী, কাশীনাথ তামুলী ফুকনৰ অসম বুৰঞ্জী সাৰ আদি। আহোম ভাষাৰপৰা অনুবাদ কৰি প্ৰকাশ কৰা অন্য এখন বুৰঞ্জী ৱেইচচালিচাও (Weissalisa) উল্লেখনীয়। অপ্ৰকাশিত অৱস্থাতো এতিয়াও বহুতো বুৰঞ্জী পুথি আছে। সেইবোৰো প্ৰকাশিত বুৰঞ্জীসমূহৰ দৰেই মূল্যৱান সমল।

কোঁচ ৰজা আৰু কোনো কোনো তলতীয়া কৰদাতা জনজাতীয় ৰজাৰ ঘৰৰ বংশাৱলী লিখাৰ প্ৰথা আছিল। এই বংশাৱলীবিলাকত সেই সেই ৰাজবংশবিলাকৰ উপৰিপুৰুষসকলৰ কাৰ্যাৱলী পুৰুষানুক্ৰমে বৰ্ণনা কৰা হয়। কোঁচ ৰজাসকলৰ দৰঙী ফৈদৰ ৰজা সমুদ্ৰনাৰায়ণৰ (১৭৯১—১৮০৬) ইচ্ছানুযায়ী কবি সূৰ্যখড়ি দৈৱজ্ঞই দৰং ৰাজবংশাৱলী প্ৰণয়ন কৰে। এই গ্ৰন্থত প্ৰথম কোঁচ ৰজা বিশ্বসিংহৰ দিনৰপৰা দৰঙত ধৰ্মনাৰায়ণক আহোম ৰজা প্ৰতাপসিংহই (১৬০৩—১৬৪১) কৰতলীয়া ৰজা হিচাপে প্ৰতিষ্ঠা কৰালৈকে (১৬১৬ খ্ৰীঃ) — এই সময়ছোৱাৰ কোঁচ ৰাজবংশৰ ইতিহাস সন্নিৱিষ্ট কৰা হৈছে। এই বংশাৱলীৰপৰা সমসাময়িক চুবুৰীয়া ৰাজ্যসমূহৰ ৰাজনৈতিক অৱস্থা আৰু সমাজ-সংস্কৃতিৰ বিষয়েও বহু কথা জানিব পাৰি। এই বংশৰ অপ্ৰকাশিত অৱস্থাত থকা আন বহুতো বংশাৱলীৰ ভিতৰত 'ৰাজোপাখ্যান'ৰ' নাম উল্লেখ কৰিব পাৰি। ইয়াৰ উপৰি সত্ৰসমূহতো সত্ৰাধিকাৰসকলৰ বংশাৱলী লিখাৰ প্ৰথা আছিল। সত্ৰীয়া-সংস্কৃতি অধ্যয়নত এইবোৰ অপৰিহাৰ্য সমল হিচাপে গণ্য কৰা হয়।

বৈষ্ণৱ ধৰ্ম প্ৰচাৰ হোৱাৰ লগে লগে ভাগৱতকে মুখ্য কৰি অন্য বহুতো পুথি অসমীয়ালৈ অনুবাদ কৰা হৈছিল। সেই যুগৰ সাধাৰণ মানুহৰ বাবে লিখা শংকৰদেৱৰ 'কীৰ্ত্তন ঘোষা' আৰু মাধৱদেৱৰ 'নামঘোষা' অসমীয়া সমাজৰ ঘাই সম্পদ। চৰিতপুথি বা বৈষ্ণৱ গুৰুসকলৰ জীৱনীসমূহ গদ্য আৰু পদ্যত লিখা বৈষ্ণৱ গুৰুসকলৰ জীৱনী গ্ৰন্থ। ১৬ শ-১৮ শ শতিকাৰ অসমীয়া সমাজ আৰু সংস্কৃতিৰ দাপোণস্বৰূপ এই চৰিত পুথিসমূহ অমূল্য ঐতিহাসিক সমল। সদ্যহতে প্ৰকাশিত চৰিত পুথিসমূহৰ ভিতৰত কথা গুৰু চৰিত (বা গুৰু চৰিত কথা), ৰামচৰণ ঠাকুৰৰ গুৰু চৰিত, দৈত্যাৰি ঠাকুৰৰ মহাপুৰুষ শ্ৰীশ্ৰীশংকৰদেৱ আৰু শ্ৰীশ্ৰীমাধৱদেৱ চৰিত, ৰামানন্দ দ্বিজৰ গুৰু চৰিত, ভূষণ দ্বিজৰ মহাপুৰুষ শংকৰদেৱ আদি প্ৰধান।

চৰিত পুথি আৰু বংশাৱলীসমূহৰ লগতে মধ্যযুগৰ অসমৰ ইতিহাস চৰ্চা কৰিবলৈ সহায় ল'ব লগা অন্যান্য সাহিত্যৰ ভিতৰত বৈষ্ণৱ সাহিত্যসমূহৰ কথা ক'ব পাৰি। মহাপুৰুষ শংকৰদেৱ, মাধৱদেৱ আৰু তেওঁলোকৰ সমসাময়িক ধৰ্মগুৰুসকলৰ ৰচনাসমূহ এই শ্ৰেণীৰ সাহিত্য।

আহোম আৰু কোঁচ ৰজাৰ ৰাজসভাত বহুতো অনুবাদ-সাহিত্যৰ সৃষ্টি হৈছিল। তাৰ ভিতৰত কবিৰাজ চক্ৰৱৰ্তীৰ 'ব্ৰহ্ম বৈৱৰ্ত পুৰাণ'ৰ অসমীয়া অনুবাদ প্ৰধান আছিল। সেইজন কবি-সাহিত্যিকেই 'সূৰ্যসিদ্ধান্ত' নামৰ জ্যোতিৰ্বিজ্ঞান গ্ৰন্থ এখনিও 'ভাস্বতি' নামেৰে অসমীয়ালৈ অনুবাদ কৰিছিল। তাৰ উপৰি, শাক্ত ধৰ্মীয় সংস্কৃত গ্ৰন্থ 'যোগিনীতন্ত্ৰ', 'কামৰূপতন্ত্ৰ' আদি প্ৰধান গ্ৰন্থসমূহ আহোম যুগতেই প্ৰণয়ন কৰা হৈছিল। তেওঁলোকৰ দিনতেই শম্ভুনাথৰ 'গজেন্দ্ৰচিন্তামণি' নামৰ গ্ৰন্থৰ আধাৰত সুকুমাৰ বৰকাইথে 'হস্তীবিদ্যাৰ্ণৱ' নামৰ হাতী বিষয়ক চিকিৎসাবিজ্ঞানৰ গ্ৰন্থ এখনি ৰচনা কৰে। ঘোঁৰাৰ চিকিৎসা বিষয়ক গ্ৰন্থ 'ঘোঁৰা নিদান'ও আহোম যুগতেই ৰচিত হয়।

উল্লিখিত গ্ৰন্থসমূহৰ উপৰি আৰু বহুতো গ্ৰন্থ আহোম কোঁচ ৰজাসকলৰ সময়ত ৰজাঘৰীয়া পৃষ্ঠপোষকতাত ৰচনা হৈছিল। অৱশ্যে ৰজাঘৰীয়া পৃষ্ঠপোষকতাত হোৱা শিক্ষাৰ চৰ্চা আৰু ব্যৱস্থাই সৰ্বসাধাৰণ লোকৰ উৎকৰ্ষ সাধনত বিশেষ সহায় কৰিব পৰা নাছিল। মধ্যযুগৰ পিছৰ ফালে সত্ৰ আৰু নামঘৰবোৰৰ মাধ্যমেদি অসমীয়া ভাষাৰে লিখা ধৰ্মীয় শাস্ত্ৰবোৰৰ পঠন-পাঠনৰ জৰিয়তে সৰ্বসাধাৰণ ৰাইজ উপকৃত হোৱাৰ কিছু সুবিধা আহিছিল।

## সাংস্কৃতিক ঐতিহ্য ঃ

প্ৰাচীন কালৰে পৰাই মানুহে মনোৰঞ্জন, অৱসাদ দূৰীকৰণৰ অৰ্থে সুকুমাৰ কলাসমূহৰ আশ্ৰয় লৈ আহিছে। সুকুমাৰ কলাসমূহৰ ভিতৰত গীত, নৃত্য, চিত্ৰ, বাদ্য আদি সন্নিবিষ্ট।

### চিত্ৰকলা ঃ

চিত্ৰকলাক মানুহে অন্তৰৰ ভাব প্ৰকাশৰ অন্যতম মাধ্যম হিচাপে প্ৰাক্-ঐতিহাসিক যুগৰে পৰা ব্যৱহাৰ কৰি আহিছে। নিজকে সজাই পৰাই তুলিবলৈ দেহৰ বিভিন্ন অংশত বিভিন্ন চিত্ৰ অংকন কৰাৰ পৰা আৰম্ভ কৰি, চিকাৰ নীতি, যুদ্ধশৈলী ইত্যাদি ঘটনাবোৰো আদিম মানুহে গুহাৰ দেৱালত অংকন কৰিছিল। অসমৰ ক্ষেত্ৰতো এই পৰম্পৰাৰ কোনো প্ৰকাৰে পৃথক হোৱা দেখা নাযায়। সপ্তম শতিকাত কামৰূপৰ ৰজা কুমাৰ ভাস্কৰ বৰ্মনে কনৌজৰ ৰজা হৰ্ষবৰ্ধনলৈ পঠিওৱা উপহাৰৰ লগত ছবি আঁকা সঁজুলি, ৰঙ ভৰোৱা পাত্ৰ, সাঁচিপতীয়া পুথি প্ৰেৰণে সমসাময়িক সমাজখনত প্ৰচলিত চিত্ৰশিল্পৰ প্ৰতি থকা অনুৰাগক প্ৰতিনিধিত্ব কৰে। ছবি আঁকিবৰ বাবে

Daily Assam



সাঁচিপাত, তুলাপাত আৰু শেহলৈ কাপোৰ ব্যৱহাৰ কৰা হৈছিল। ছবি আঁকিবৰ কাৰণে প্ৰয়োজন হোৱা আহিলাসমূহ স্থানীয়ভাৱে পোৱা সমল যেনে - চৰাইৰ পাখি, ঘোঁৰাৰ নেজৰ নোম, কপাহ প্ৰভৃতিৰে তুলিকা সাজি লৈছিল। এনেবোৰ প্ৰাথমিক সমলৰ দ্বাৰা প্ৰস্তুত বিষয়বস্তু জড়িত— কাপোৰত অংকিত বৈকুণ্ঠৰ চিত্ৰ আৰু কৃষ্ণৰ কাহিনীৰ অভিনয় প্ৰদৰ্শন। সেইদৰে বৃন্দাবনী বস্ত্ৰ, চিত্ৰভাগৱতত দেখা পোৱা চিত্ৰকলাৰ সাঁচ, সমকালীন ভাৰতবৰ্ষৰ সতে অসমীয়া চিত্ৰকলাৰ চানেকীসমূহ যে প্ৰভেদহীন সেই কথা সূচায়।



চিত্ৰ ভাগৱত

কৰি উলিওৱা অসমৰ প্ৰাচীনতম সচিত্ৰ পুথিখন হ'ল শ্ৰীমন্ত শঙ্কৰদেৱৰ বিৰচিত 'আদি দশম স্কন্ধ ভাগৱত'। অৱশ্যে ইয়াৰ মূল ৰূপ অদ্যপি উদ্ধাৰ হোৱা নাই। নগাঁৱৰ বালিপাৰা সত্ৰত উদ্ধাৰ হোৱা 'চিত্ৰ ভাগৱত' খন পৰৱৰ্তী পৰ্যায়ত পৃথক হাতৰ আখৰেৰে লিখা হৈছিল বুলি পণ্ডিত গৱেষকসকলে ক'ব খোজে।

অসমৰ চিত্ৰশৈলী মূলতঃ তিনিপ্ৰকাৰৰ— (ক) সত্ৰীয়া (খ) ৰজাঘৰীয়া (গ) সাধাৰণ অলংকাৰ

শ্ৰীমন্ত শঙ্কৰদেৱৰ প্ৰৱৰ্তিত নৱ-বৈষ্ণৱ ধৰ্মৰ প্ৰসাৰ আৰু জনপ্ৰিয়কৰণৰ স্বাৰ্থত চিত্ৰ, নৃত্য, গীত আৰু বাদ্যৰ সমন্তৰাল প্ৰচলন ঘটিছিল। অনাখৰী লোকসকলৰ মাজত সৰল ভাৱত ভগৱৎ প্ৰাপ্তিৰ পথ দেখুৱাবলৈ শঙ্কৰদেৱে চিহ্নযাত্ৰা ভাওনাৰ মাধ্যমেদি সাতখন বৈকুণ্ঠৰ চিত্ৰপট আঁকি সকলোৰে সন্মুখত প্ৰদৰ্শন কৰিছিল। শঙ্কৰদেৱে নাটক বুজাবলৈ যিহেতু 'যাত্ৰা' শব্দ ব্যৱহাৰ কৰিছিল সেয়ে 'চিহ্নযাত্ৰা' মানে হ'ল চিত্ৰৰ যোগেদি দেখুওৱা নাটক। ইয়াত দুটা একেদৰে সত্ৰসমূহৰ নামঘৰ, চাৰিহাটীৰ দেৱাল আৰু কাঠত হেঙুল-হাইতালৰ দ্বাৰা অংকিত ভগৱানৰ বিভিন্ন অৱতাৰ, গছ-লতাসমূহে সত্ৰসমূহত বিকাশ হোৱা চিত্ৰকলাক প্ৰতিনিধিত্ব কৰে।

অসমত ৰজাঘৰীয়া পৃষ্ঠপোষকতাত প্ৰণয়ন কৰা একাংশ গ্ৰন্থতো মনোমোহা চিত্ৰকলাৰ সমাহাৰ দেখা যায়। ইয়াৰ ভিতৰত আহোম আৰু কোঁচ উভয় ৰজাসকলৰ তত্বাৱধানত বহুতো ধৰ্মনিৰপেক্ষ চিত্ৰকলাৰ বিকাশ সাধন হৈছিল। স্বৰ্গদেউ ৰুদ্ৰসিংহ (১৬৯৫-১৭১৩ খ্ৰীঃ) আৰু শিৱসিংহৰ শাসন কালত চিত্ৰকলাই অনন্য মাত্ৰা লাভ কৰে। য'ত স্থানীয় চিত্ৰকলা আৰু মোগল-ৰাজপুতসকলৰ প্ৰভাৱ পৰিলক্ষিত হয়। ৰুদ্ৰসিংহৰ দিনৰ অনূদিত গ্ৰন্থ কবিৰাজ চক্ৰৱৰ্তীৰ 'গীত গোবিন্দ', শিৱসিংহৰ দিনৰ 'আনন্দ-লহৰী'ত এই প্ৰসংগই প্ৰভাৱ বিস্তাৰ কৰিছে। একেদৰে, ৰাণী অম্বিকাৰ পৃষ্ঠপোষকতাত ৰচিত নিদান গ্ৰন্থ সুকুমাৰ বৰকাইথৰ 'হস্তীবিদ্যাৰ্ণৱ' গ্ৰন্থত

Daily Assam



চিত্ৰকৰ দিলবৰ আৰু দোছাইয়ে ৰজাঘৰীয়া চিত্ৰকলাক এক নতুন মাত্ৰা প্ৰদান কৰে। এই শ্ৰেণীৰ গ্ৰন্থৰাজিৰ ভিতৰত সূৰ্যখৰি দৈৱজ্ঞৰ দৰং ৰাজবংশাৱলী, তীৰ্থ কৌমুদী, শংখচূড় বধ, গজেন্দ্ৰ চিন্তামণি, ধৰ্মপুৰাণ অন্যতম।

অসমৰ সৰ্বসাধাৰণ লোকসকলো চিত্ৰকলা অনুৰাগী আছিল। সাঁচিপাতৰ পুথিত ভিন্ন লতা পশু-পক্ষী, মানুহৰ প্ৰতিকৃতি প্ৰকাশ কৰা হৈছিল। চাৰিওফালে লতা কাটি আঁকা পুথিক 'লতাকটা পুথি' হিচাপে অভিহিত কৰা হয়।

মুঠতে অসমৰ চিত্ৰকলা সৌন্দৰ্যবোধ, প্ৰতিভা আৰু দক্ষতাৰ সংমিশ্ৰণ। য'ত থলুৱা শৈলীৰ পূৰ্ণ প্ৰতিফলন ঘটিছে।

### ৰঙৰ ব্যৱহাৰ ঃ

অসমীয়া চিত্ৰশিল্পী সকলে বিভিন্ন প্ৰাকৃতিক উপাদানেৰে চিত্ৰৰ বাবে ৰং তৈয়াৰ কৰি লৈছিল। পোৰা মাটি, হাইতাল, ধতুৰা, মজাঠা, হালধি, পলাশ ফুল, শিলিখা আদিৰ ৰসেৰে ৰং প্ৰস্তুত কৰি লৈ তুলিকা হিচাপে ছবি আঁকা যতন 'লেখনি' আৰু 'ৰেখনি' লৈ নানান চিত্ৰ অংকন কৰিছিল।

### সংগীত আৰু লোকবাদ্য ঃ

সংগীত শিতানত গীত, বাদ্য আৰু নৃত্য অন্তৰ্ভুক্ত। প্ৰাচীন কালৰে পৰা ভাৰতত সংগীতৰ দুটা ধাৰা প্ৰচলিত হৈ আহিছে। মাৰ্গী আৰু দেশী। মাৰ্গী সংগীতত স্বৰ, পদ আৰু তালসম্পৰ্কীয় সকলো বিষয় কঠোৰ নিয়মৰ দ্বাৰা নিয়ন্ত্ৰিত। সময়ৰ পৰিৱৰ্তনৰ ধাৰাত ইয়াত কোনো হেৰফেৰ নহয়। আনহাতে, সৰ্বসাধাৰণৰ মনোৰঞ্জনৰ অৰ্থে পৰিৱেশন কৰা সংগীতেই হ'ল দেশী সংগীত। উভয় সংগীতৰ চৰ্চা প্ৰাচীন কামৰূপত কৰা হৈছিল বুলি ঐতিহাসিক সমল সমূহে দৰ্শায়। ৰজাসকলৰ যাগ-যজ্ঞৰ সময়ত মাৰ্গী আৰু সচৰাচৰ ৰাজসভাত মনোৰঞ্জনৰ অৰ্থে দেশী সংগীতৰ চৰ্চা কৰা হৈছিল। কুমাৰ ভাস্কৰ বৰ্মনৰ সময়ত এই সংগীত সাধনাৰ তথ্য পোৱা গৈছে। নৱম শতিকাৰ বনমালিদেৱৰ তাম্ৰ শাসনত ৰাজধানী হাৰুপেশ্বৰৰ শিৱমন্দিৰসমূহ দেৱদাসীৰ দ্বাৰা পৰিৱেশিত সংগীতেৰে মুখৰিত হৈ আছিল বুলি উল্লেখ আছে। একেদৰে ৰত্নপালৰ বৰগাঁও শাসন, দশম-একাদশ শতিকাত কামৰূপত ৰচিত 'কালিকাপুৰাণ' আৰু চীনা পণ্ডিত হিউৱেন চাঙৰ সন্মানৰ্থে ভাস্কৰ বৰ্মনৰ ৰাজসভাত সংগীতৰ আয়োজন কৰালৈ চাই সমসাময়িক সমাজ ব্যৱস্থাত সংগীতৰ বহুল প্ৰচলনৰ কথা বুজিব পাৰি।

প্ৰচলিত এই ধাৰাটোক পৰৱৰ্তী সময়ত নৱবৈষ্ণৱ আন্দোলনে অধিক প্ৰজ্বোলিত কৰে। শ্ৰীমন্ত শঙ্কৰদেৱ, মাধবদেৱ বিৰচিত 'বৰগীত'সমূহক এইক্ষেত্ৰত আলোচনা কৰিব পাৰি। ব্ৰজাৱলী ভাষাত লিখা বৰগীতসমূহত নিৰ্দিষ্ট তাল-মান-লয় সংযোজিত যদিও শঙ্কৰদেৱে ধৰ্মপ্ৰচাৰ আৰু সাধাৰণ লোকৰ চৰ্চাৰ অৰ্থে বৰগীতসমূহ জনসমাজত প্ৰচলিত কৰালে। একেদৰে অসমত প্ৰচলিত ওজাপালি আৰু চৰ্যাপদ যুক্ত ৰাগসমূহত পৰম্পৰাগত শৈলী নিহিত হৈ আছে।

এইদৰে সময়ৰ লগত সামঞ্জস্য ৰাখি লোক সংগীতৰ চৰ্চা অব্যাহত আছিল।

বিহুগীত, বিয়ানাম, আইনাম, বাৰেমাহী গীত, টোকাৰী গীত, লোকগীত আদিৰো প্ৰচলন আছিল। অসমীয়া লোকগীতৰ আৰ্হিত আজান ফকীৰে 'জিকিৰ' আৰু 'জাৰি' ৰচনা কৰি আধ্যাত্মিক চেতনাৰ উৎকৰ্ষ সাধন কৰিছিল। স্বৰ্গদেউ ৰুদ্ৰসিংহই পোনপ্ৰথমে অসমলৈ হিন্দুস্থানী সংগীত আহোম ৰাজসভালৈ আমদানি কৰে। পাখোৱাজ নামৰ হিন্দুস্থানী বাদ্যযন্ত্ৰ প্ৰচলনো তেওঁৰ দিনৰ পৰাই ইয়াত

Daily Assam

আৰম্ভ হয়। গান-বাদ্য আদি পৰিচালনাৰ বাবে আহোম স্বৰ্গদেউসকলে 'গায়ন বৰুৱা' নামৰ এজন বিষয়াও মনোনীত কৰিছিল।

### লোকবাদ্য ঃ

গীত আৰু নৃত্যৰ লগত সংগত কৰিবলৈ বাদ্যযন্ত্ৰ অপৰিহাৰ্য্য। প্ৰাচীন কালৰে পৰা ৰাজ্যত এনেবোৰ বাদ্যযন্ত্ৰ পৰিৱৰ্তিত ৰূপত আজিকোপতি প্ৰচলিত হৈ আছে। এনেবোৰ লোকবাদ্যৰ ভিতৰত বাঁহী, বিভিন্ন প্ৰকাৰৰ ঢোল, পেঁপা, গগনা, তাল, বীণা, খোল, মৃদংগ, দবা, শংখ, ঘন্টা অন্যতম। এই বাদ্যসমূহক ভিন্নতা অনুযায়ী অৱনদ্ধ বাদ্য, সুষিৰ বাদ্য, ঘন বাদ্য, তত বাদ্য আদি শিতানত ভাগ কৰা হৈছে।

তলত এনে কেতবোৰ বাদ্যৰ আভাস দিয়া হ'ল ঃ

### অৱনদ্ধ বাদ্য ঃ

সকলোৰে পৰিচিত ঢোল এই শ্ৰেণীত অন্তৰ্ভুক্ত। অসমৰ বিভিন্ন জনগোষ্ঠীৰ লোকসকলে উৎসৱ-পাৰ্বণত ঢোল বহুল ভাবে ব্যৱহাৰ কৰে। উদাহৰণস্বৰূপে— বিহু, আলি-আই-লৃংগাৰ দৰে উৎসৱত ঢোলৰ ছেওত সকলোৰে দেহ মন উৎসৱ মুখৰ হৈ উঠে। বিভিন্ন প্ৰকাৰৰ ঢোলৰ ভিতৰত-জয়ঢোল, ঢেপাঢোল, বৰঢোল,কামৰূপী ঢোল অন্যতম। এই শ্ৰেণীৰ বাদ্যৰ ভিতৰত ঢাক, দবা, ডগৰ, ঢোলক, নাগাৰা, মৃদংগ অন্তৰ্ভুক্ত। খোল বাদ্য এই অৱনদ্ধ বাদ্যৰ মুখ্য ধ্ৰুপদীয় বাদ্যযন্ত্ৰ। শ্ৰীমন্ত শংকৰদেৱে অনাখৰী অসমীয়া লোক সকলৰ মাজত ভক্তিৰসৰ নিজৰা বোৱাবৰ নিমিত্তে যি নৃত্য- গীত-বাদ্যৰ ব্যৱহাৰ কৰিছিল, তাৰ ভিতৰত খোল আছিল অন্যতম। কপিলীমুখৰ কুমাৰৰ হতুৱাই খোল নিৰ্মাণ কৰি মহাপুৰুষজনাই 'চিহ্ন যাত্ৰা' ভাওনাত প্ৰথম খোল ব্যৱহাৰ কৰাৰ কথা চৰিত পুথিত পোৱা যায়। মুঠৰ ওপৰত মাটি, কাঠ,বাঁহ বা ধাতুৰ খোলাত জন্তুৰ ছাল ফিট্‌ফিটীয়াকৈ সংযুক্ত কৰি মাৰিৰে বা হাতেৰে শব্দ উৎপন্ন কৰা সকলো বাদ্যকে এই শাখাত অন্তৰ্ভুক্ত কৰিব পাৰি।

### সুষিৰ বাদ্য ঃ

কোনো বিশেষ মাধ্যমৰ মাজেদি বতাহ নিৰ্গত কৰি শব্দ উৎপাদন আৰু সুৰ সঞ্চাৰ কৰিব পৰা বাদ্যই সুষিৰ বাদ্য। ভাৰতবৰ্ষৰ আটাইতকৈ প্ৰাচীন সুষিৰ বাদ্য হ'ল শংখ। ইয়াৰ উপৰি শিঙা, পেঁপা, কালি, গগনা, সুতুলি, বাঁহী বা বংশী ইত্যাদিয়েই ইয়াৰ ভিতৰত প্ৰধান। প্ৰতিটো সুষিৰ বাদ্যৰে সুৰ আবেদনময়ী আৰু প্ৰায়বোৰ লোকগীতত আনুষংগিক বাদ্য হিচাপে ইয়াক ব্যৱহাৰ কৰা হয়।

### ততবাদ্য ঃ

তাঁৰৰ গুঞ্জনত সুৰ সঞ্চাৰ কৰা বাদ্যসমূহ এই শিতানত অন্তৰ্ভুক্ত। অসমৰ প্ৰাচীন সাহিত্যত বিপঞ্চি, ৰুদ্ৰক বিলাস, ৰুদ্ৰ বীণৰ দৰে তত বাদ্যৰ উদাহৰণ পোৱা যায়। থলুৱা ভাবে বহুল প্ৰচলিত এই শ্ৰেণী বাদ্যৰ ভিতৰত লাও টোকাৰী, খমক বা আনন্দ লহৰী, দোতৰা বা টোকাৰী উল্লেখযোগ্য।

### ঘনবাদ্য ঃ

ধাতু, কাঠ বা বাঁহ নিৰ্দিষ্ট জোখত কাটি পৰস্পৰে আঘাত কৰি শব্দ উৎপাদন কৰা বাদ্যসমূহ এই শ্ৰেণীত পৰে। অসমত প্ৰচলিত ঘন বাদ্যৰ ভিতৰত বৰকাঁহ, সৰুকাঁহ, বিভিন্ন আকৃতিৰ তাল, খঞ্জৰী, ঘণ্টা, নূপুৰ, টকা, জুনুকা উল্লেখনীয়।

Daily Assam



## প্ৰয়োজনীয় তথ্য

অতি মানৱীয় শক্তিৰ প্ৰতি থকা ব্যক্তিৰ মনোভাবেই ধৰ্ম। আইনী ব্যৱস্থা সৃষ্টিৰ আগৰে পৰাই মানৱক সুচাৰুৰূপে পৰিচালনা কৰা কাৰ্য ধৰ্মই পালন কৰি আহিছে। অসমো ইয়াৰ ব্যতিক্ৰম নহয়। যদিও পৰ্যায়ত ভিন্ন ভিন্ন ধৰ্মই অসমৰ প্ৰেক্ষাপটত গা কৰি উঠিছে হিন্দু, বৌদ্ধ, ইছলাম নৱবৈষ্ণৱ আৰু খ্ৰীষ্টান ধৰ্ম। অসমৰ নৱ-বৈষ্ণৱ ধৰ্ম যদিও ভাৰতীয় বৈষ্ণৱ ভক্তি আন্দোলনৰ আদৰ্শৰ পৰা পৃথক, কিন্তু ইয়াৰ উদ্দেশ্য আৰু মহানুভৱতা বিশ্বতে বিৰল। যাৰ প্ৰতিষ্ঠাতা আছিল শ্ৰীমন্ত শঙ্কৰদেৱ।

## আধ্যাত্মিক ঐতিহ্য

**ধৰ্মীয় পৰম্পৰা — জনজাতীয় পৰম্পৰা, বৌদ্ধ-শৈৱ-শাক্ত পৰম্পৰা, বৈদিক পৰম্পৰা, ভক্তি আন্দোলন, ইছলামধৰ্মীয় আৰু খ্ৰীষ্টান পৰম্পৰা।**

আহোম যুগ এটা সুদীৰ্ঘকালৰ যুগ। খ্ৰীঃ ত্ৰয়োদশ শতিকাৰপৰা ঊনবিংশ শতিকালৈ আহোম ৰজাসকলৰ এই ছশবছৰীয়া শাসন কালত অসমৰ মানুহৰ ধৰ্মবিশ্বাসৰ নানান দিশত পৰিৱৰ্তন ঘটিছিল। তেতিয়া আহোম ৰজাসকলৰ প্ৰত্যক্ষ শাসনৰ তলত সমগ্ৰ ব্ৰহ্মপুত্ৰ উপত্যকা, আনকি আজিৰ অসমখনে আগুৰি থকা ভূ-খণ্ডও সম্পূৰ্ণকৈ নাছিল। প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি যে প্ৰাচীন আৰু মধ্যযুগৰ কালছোৱাত ৰাজ্য এখন গঠন আৰু বিকাশৰ প্ৰক্ৰিয়াত মানুহৰ ধৰ্মবিশ্বাস এটা অতি প্ৰভাৱশীল উপাদান আছিল। ৰাজবংশ একোটাৰ বা ৰজা একোজনৰ একাধিপত্য প্ৰতিষ্ঠা আৰু ন্যায্যীকৰণ মূলতঃ ধৰ্মৰ দ্বাৰা পৰিচালিত হয়। প্ৰাচীন বা মধ্যযুগৰ কালছোৱাত এই ধৰ্ম আছিল ব্ৰাহ্মণ্য হিন্দুধৰ্ম। ইছলামধৰ্মী ৰাজবংশকেইটাৰ বাহিৰে সকলো ৰাজবংশই হিন্দু ব্ৰাহ্মণ্য ধৰ্মৰপৰা তেওঁলোকৰ ন্যায্যতা আৰু একাধিপত্যৰ যৌক্তিকতা আয়ত্ত কৰিছিল। সেয়ে ধৰ্মবিশ্বাসৰ ক্ষেত্ৰত প্ৰাচীন বা মধ্যযুগৰ ৰাজন্য গোষ্ঠীবোৰে সদায় এটা সচেতন আৰু লাভৱান হ'ব পৰা ধৰ্মীয় নীতি অৱলম্বন কৰি চলিছিল।

খ্ৰীঃ ত্ৰয়োদশ শতিকাৰ আৰম্ভণিত ব্ৰহ্মপুত্ৰ উপত্যকাত শতাধিক জনজাতীয় বিশ্বাসৰ উপৰি বৰ্ণাশ্ৰমকেন্দ্ৰিক সমাজখনত ব্ৰাহ্মণ্য 'হিন্দু' ধৰ্মই আছিল প্ৰধান ধৰ্মবিশ্বাস। শিৱ, বিষ্ণু, দুৰ্গা, গণেশ, ইন্দ্ৰ, লক্ষ্মী, সৰস্বতী আদি দেৱ-দেৱীৰ পূজা-

পাতলৰ উপৰি বৈদিক যাগ-যজ্ঞৰ প্ৰচলন আছিল। এনেধৰণৰ কোনো কোনো যাগ-যজ্ঞৰ উল্লেখ প্ৰাচীন কালৰ কামৰূপৰ ৰজাসকলৰ ভূমিদানৰ ফলিবিলাকত পোৱা যায়। ব্ৰাহ্মণ-পুৰোহিতে বৈদিক ৰীতি-নীতিৰে কৰা পূজাৰ বেদীৰ ধোঁৱা আৰু ফুলৰ গোন্ধই হাৰুপেশ্বৰ নগৰৰ আকাশ-বতাহ সুগন্ধময় কৰি ৰাখিছিল বুলিও এনে কিছুমান ফলিৰপৰা জনা যায়। কামাখ্যা মন্দিৰৰপৰা আৰম্ভ কৰি তেজপুৰ (হাৰূপেশ্বৰ), দেওপাহাৰ, দৈয়াং-ধনশিৰি উপত্যকা, নগাঁৰৰ ডবকা, ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ মালিনীথান, বাসুদেৱথান আদি বিভিন্ন ঠাইত তেতিয়া এনে পূজা-পাৰ্বণৰ উপৰি বহুতো বৌদ্ধ শাক্ত পৰম্পৰাৰ বিশ্বাস আৰু কৰ্মৰ প্ৰচলন আছিল। এটা কথা ঠিক যে আহোম ৰাজ্য প্ৰতিষ্ঠাৰ সময়লৈ, অন্ততঃ মহাপুৰুষ শংকৰদেৱৰ সময়লৈ প্ৰাচীন কালৰ সেই মঠ-মন্দিৰবোৰ পূৰ্ণ অৱস্থাৰ ৰূপত নাছিল। কোঁচ ৰাজ্যখনৰ প্ৰতিষ্ঠাৰ সময়ত বিশ্বসিংহই (অনুঃ ১৫১৫—১৫৪০) আৰু পিছত তেওঁৰ পুত্ৰ নৰনাৰায়ণে পুনৰ্নিৰ্মাণ কৰি উলিওৱা কামাখ্যা দেৱীৰ মন্দিৰটো হাবিৰ মাজত ধ্বংসপ্ৰাপ্ত অৱস্থাহে পাইছিল বুলি উল্লেখ আছে। সেইদৰে হাজোৰ হয়গ্ৰীৱ মাধৱ মন্দিৰটোও তেতিয়ালৈ ভগ্নাৱশেষ ৰূপতহে আছিলগৈ। কছাৰী ৰজাৰ লগত হোৱা যুদ্ধৰ সময়ত (১৫৩৬ খ্ৰীঃ) স্বৰ্গদেউ চুহুংমুঙৰ পাইক বাহিনীয়ে দেওপাহাৰৰ অঞ্চলটোতো কোনো মন্দিৰৰ অৱস্থিতি দেখা নাছিল যদিও তেওঁলোকে তাত তান্ত্ৰিক-যোগী এজনৰ অৱস্থিতি আৱিষ্কাৰ কৰিছিল। হিন্দুধৰ্মৰ ভিতৰুৱা হোৱাৰ পিছত ৰজাঘৰবিলাকত পূজা-পাৰ্বণ সোমাইছিল। আহোমৰ ৰজাঘৰৰ ভিতৰতো ৰজাৰ ব্যক্তিগত পুৰোহিতে পূজা-সেৱা কৰিছিল। শিৱ-বিষ্ণু আদি দেৱতাৰ দৌল বা মন্দিৰবোৰৰ ৰাজহুৱা বা ৰজাঘৰীয়া পূজা-পাৰ্বণ বা অনুষ্ঠানবোৰ আছিলেই। স্বৰ্গদেউ ৰুদ্ৰসিংহৰ সময়ত কামাখ্যা মন্দিৰত বংগদেশৰ তান্ত্ৰিক পুৰোহিত কৃষ্ণৰাম ভট্টাচাৰ্যক প্ৰতিষ্ঠা কৰা হৈছিল।

বৈদিক ৰীতি-নীতি আৰু ৰজাঘৰীয়া সাহায্য আৰু পৃষ্ঠপোষকতাত এটা শ্ৰেণীৰ ধৰ্মবিশ্বাস আৰু ক্ৰিয়া-কৰ্ম চলি থাকিলেও সাধাৰণ মানুহৰ মাজত বিভিন্ন শ্ৰেণীৰ দেৱ-দেৱী, উপ-দেৱতা, ভূত-প্ৰেতৰ বিশ্বাস চলি আছিল। নামনি ব্ৰহ্মপুত্ৰ উপত্যকাৰ কোঁচ, মেচ, বড়ো আদি জনজাতীয় লোকসকলৰ মাজত বাথৌব্ৰাই, বা শিৱৰাইৰ পূজা চলিছিল, আৰু সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলতে শক্তিপূজাৰ প্ৰচলন আছিল। মানুহৰ মাজত বেলেগ বেলেগ ধাৰণাৰে কৰা দেৱী বা শক্তিপূজাও সমানেই চলিছিল। সেইদৰে জয়ন্তীয়াসকলৰ মাজত জয়ন্তেশ্বৰী দেৱী, চুতীয়াসকলৰ মাজত তাম্ৰেশ্বৰী বা কেঁচাইখাতী দেৱী, কমতাপুৰত কমতেশ্বৰী, ত্ৰিপুৰাত ত্ৰিপুৰাসুন্দৰী দেৱী আদি দেৱীৰ পূজাৰ প্ৰচলন আছিল। তেতিয়ালৈ কামাখ্যা দেৱী হিন্দু সংস্কৃতিৰ ভিতৰুৱা হৈ পৰিছিল যদিও ইয়াৰপৰা পূৰ্বৰ পৰম্পৰা একেবাৰে নোহোৱা হৈ পৰিছিল বুলি ক'ব নোৱাৰি। মহাপুৰুষৰ সময়লৈকে চণ্ডীদেৱীৰ পূজা চলি থকাৰ কথাও উল্লেখ পোৱা যায়। তন্ত্ৰ-মন্ত্ৰ যাদু আৰু তান্ত্ৰিকতাবাদত মানুহে বিশ্বাস কৰিছিল আৰু নাথধৰ্মৰ প্ৰৱৰ্তক গুৰু গোৰক্ষনাথে মায়াবলেৰে কদলী ৰাজ্যৰ ভিতৰত প্ৰৱেশ কৰি তেওঁৰ তাত বন্দী হৈ থকা গুৰু মৎসেন্দ্ৰনাথক উদ্ধাৰ কৰিছিল বুলি উল্লেখ পোৱা যায়। আনুমানিক ঊনবিংশ শতিকাৰ আৰম্ভণিত বা অষ্টাদশ শতিকাৰ শেষভাগত

'মাধৱদেৱ'ৰ ছদ্মনামত লেখা 'আদি চৰিত' নামৰ এখন দুষ্ট চৰিত্ৰৰ 'শাস্ত্ৰ'ত উল্লেখ আছে যে একেশ্বৰবাদী ধৰ্মগুৰু শংকৰদেৱৰ নিজৰ ঘৰতে যাদুবিদ্যাৰ সহায়েৰে আলৌকিক শক্তি আয়ত্ত কৰিব পৰা 'ধাতু তাম্ৰাক্ষৰী' নামৰ এখন শাস্ত্ৰ আছিল। শংকৰদেৱে বোলে জীৱনৰ শেষকালত অৰ্থাৎ তেওঁ কোঁচবেহাৰত থিতাপি লোৱা পৰ্যন্ত এই শাস্ত্ৰখন অতি যতন কৰি সদায় চকুৰ আগত হাতে পোৱাতে ৰাখিছিল। 'ধাতু তাম্ৰাক্ষৰী' বা তামৰ পত্ৰত লিখি ৰখা সেইখন শাস্ত্ৰকেই বহুতে 'কল্পতৰু শাস্ত্ৰ' বুলিও কৈছিল। 'আদি চৰিত'খন এখন মিথ্যাচাৰ প্ৰচাৰাৰ্থে লেখা পুথি বুলি সকলোৱে জানে। তথাপি পুথিখনত মানুহৰ তন্ত্ৰ-মন্ত্ৰ আৰু যাদুবিদ্যাত থকা বিশ্বাসৰ কথা গুৰুত্বপূৰ্ণ। মায়ামৰা বৈষ্ণৱ পন্থৰ আদিগুৰু অনিৰুদ্ধদেৱৰ সহস্ৰাধিক শিষ্য হোৱাৰ মূল শক্তিও কোনো কোনোৱে তেওঁৰ তন্ত্ৰ-মন্ত্ৰ আৰু যাদুৰ মাহাত্ম্য বুলি অহেতুক বিশ্বাস কৰিছিল। সেইদৰে, মোৱামৰীয়া বিদ্ৰোহৰ সময়ত নাহৰ খোৱাৰ দুই পত্নী ৰাধা আৰু ৰুক্মিণীয়ে যাদুৰ বলেৰে বন্দুকৰ গুলী আঁচল পাতি ধৰিব পাৰিছিল বুলিও মানুহে বিশ্বাস কৰিছিল। লুইতৰ উত্তৰপাৰে বিদ্ৰোহ কৰা মোৱামৰীয়া বিদ্ৰোহী হৰিহৰ তাঁতীয়েও অলৌকিক শক্তিৰ সহায়েৰে প্ৰজা সংগ্ৰহ আৰু সংগঠন কৰিছিল বুলি মানুহে কোৱা-কুই কৰিছিল। উল্লেখ্য যে অসমৰ ভিতৰে-বাহিৰে সমসাময়িক সকলোবোৰ গ্ৰন্থতে অসমৰ যাদুবিদ্যাৰ বিষয়ে উল্লেখ পোৱা যায়। কথিত আছে যে ৰামসিংহই অসম আক্ৰমণ কৰিবলৈ আহোঁতে অসমৰ মানুহৰ তন্ত্ৰ-মন্ত্ৰ, যাদুবিদ্যাৰ প্ৰভাৱৰ পৰা ৰক্ষা পৰি থাকিবলৈ লগত পাঁচজন মুছলমান 'পীৰ' আৰু শিখগুৰু টেগবাহাদুৰক লৈ আহিছিল। মিৰজা নাথানৰ 'বাহাৰিস্তান-ই-ঘাইবী' নামৰ গ্ৰন্থত সেই সময়ত কামৰূপ কোঁচবেহাৰত প্ৰচলন থকা যাদুবিদ্যা আৰু তন্ত্ৰ-মন্ত্ৰৰ প্ৰভাৱৰ বিষয়ে লিখিছে।

তাম্ৰেশ্বৰী, জয়ন্তেশ্বৰী আৰু ছেগোচোৰোকাকৈ কামাখ্যা মন্দিৰতো দেৱীৰ পূজাত নৰবলি দিয়াৰ প্ৰথা আৰু বিশ্বাস আছিল। বুৰঞ্জীত উল্লেখ আছে যে আহোম ৰজা প্ৰতাপ সিংহই গুৱাহাটীৰ নীলাচলত কামাখ্যা দেৱীৰ আগত মোগল সেনাপতি সত্ৰাজিতৰ পুতেক ৰামচন্দ্ৰক বলি দিছিল। ইফালে শদিয়াৰ তাম্ৰেশ্বৰী মন্দিৰত নিয়মিত নৰবলি হৈছিল। ইয়াৰ উপৰি শদিয়াৰ তাম্ৰেশ্বৰী আৰু গুৱাহাটীৰ কামাখ্যা মন্দিৰত দেৱীৰ আগত আহোম স্বৰ্গদেউসকলৰ দিনত কমেও বাৰজনকৈ মানুহ বছৰেকত বলি দিয়া হৈছিল বুলি জনা যায়। এইদৰে থকা নৰবলি প্ৰথাৰ প্ৰচলনে মানুহৰ মনত বৰ্ধিতভাৱে বিৰূপ প্ৰভাৱ পেলাইছিল। সেয়ে নৰবলি প্ৰথা বন্ধ কৰিবলৈ, বিশেষকৈ কামাখ্যা মন্দিৰত এই প্ৰথা বন্ধ কৰিবলৈ, অতি প্ৰাচীন কালৰেপৰাই প্ৰচেষ্টা চলি আছিল। উল্লেখ আছে যে বৌদ্ধ তান্ত্ৰিকতাবাদ আৰু কৌল প্ৰথাৰ ব্ৰাহ্মণ্যকৰণ প্ৰক্ৰিয়াৰ প্ৰধান গুৰু আৰু সংস্কাৰক গোৰক্ষনাথেই (অনুঃ দশম-একাদশ শতিকা) কামাখ্যা মন্দিৰত নৰবলি প্ৰথা ৰদ কৰিবলৈ প্ৰথম প্ৰচেষ্টা চলায়। তেওঁ বোলে 'চাউলো সিজক চৰুও ৰওক' উদ্দেশ্যে নৰবলি প্ৰথাৰ পৰিৱৰ্তে মন্দিৰটোত ম'হ বলি প্ৰথাৰ অনুমোদন জনায়। যি কি নহওক, গোৰক্ষনাথৰ পিছতো কামাখ্যাত নৰবলি দিয়া প্ৰথাটো অৱশ্যে একেবাৰেই নিৰ্মূল হোৱা নাছিল। অন্ততঃ অষ্টাদশ শতিকাৰ শেষলৈ স্বৰ্গদেউ গৌৰীনাথ সিংহৰ সময়লৈকে এই প্ৰথা চলি থকাৰ কথা জনা যায়।

তেওঁৰ হাততে অৱশ্যে কামাখ্যাত নৰবলি প্ৰথাৰ অন্ত পৰে। স্বৰ্গদেউ গৌৰীনাথ সিংহই ১৭০০ শকত (১৭৮২ খ্ৰীঃত) কামাখ্যাদেৱীৰ সন্তুষ্টিৰ অৰ্থে একলক্ষ পশু-পক্ষীৰ বলি আগ বঢ়াইছিল বুলি তেওঁ নিজে উল্লেখ কৰি গৈছে।

প্ৰাক্ মধ্যযুগৰ কালছোৱাত উত্তৰ ভাৰততো ধৰ্মীয় পাৰিপাৰ্শ্বিকতা প্ৰায় একেধৰণৰে আছিল। সেই সময়ত উত্তৰ ভাৰততো তিনিটা প্ৰধান ধৰ্ম বিশ্বাস আৰু দৰ্শনৰ ধাৰাৰ প্ৰচলন আছিল। শংকৰাচাৰ্যৰ অদ্বৈত বেদান্ত, তান্ত্ৰিকতাবাদ আৰু যোগ বা হঠযোগবাদ। শংকৰাচাৰ্যৰ অদ্বৈত বেদান্তৰ দৰ্শনে আনকি বৌদ্ধ আৰু জৈন ধৰ্মকো প্ৰভাৱান্বিত কৰিছিল। আনহাতে তান্ত্ৰিকতাবাদেও হিন্দু-বৌদ্ধ দুয়োধৰ্মকে আগুৰি ধৰিছিল। কিন্তু এই দুয়োটাতকৈ অধিক জনপ্ৰিয় আছিল হঠযোগ বা যোগবাদ। যোগবাদত বিশ্বাসীসকলেৰে আনকি সিদ্ধযোগী বা যোগী নামে এটা ধৰ্মীয় সম্প্ৰদায়ো সৃষ্টি কৰিছিল।

ক্ৰমে শংকৰাচাৰ্যৰ অদ্বৈত দৰ্শনে সমগ্ৰ ভাৰতবৰ্ষতে প্ৰচাৰ লাভ কৰিলে। কিন্তু শংকৰাচাৰ্যৰ দৰ্শনৰ প্ৰধান তত্ত্ব আছিল এই যে, মানুহ আৰু পৰমব্ৰহ্ম ঈশ্বৰৰ সুকীয়া অস্তিত্ব নাই; সকলো প্ৰাণীতে ঈশ্বৰ বৰ্তমান। সেই পৰম ব্ৰহ্মাই হ'ল সৰ্বময় কৰ্তা; সকলো দেৱ-দেৱীয়েই তেওঁৰ অধীন। অৰ্থাৎ শংকৰাচাৰ্যই বহুত্ববাদৰ ঠাইত একত্ববাদ প্ৰতিষ্ঠাৰ মাধ্যমেদি ধৰ্মৰ সংস্কাৰ বিচাৰিছিল। তেওঁৰ মতে পৰম ব্ৰহ্ম বা ভাগৱতপ্ৰাপ্তিৰ প্ৰধান উপায় হ'ল 'জ্ঞান'। কিন্তু নিৰ্গুণ, নিৰাকাৰ পৰম ব্ৰহ্মৰূপী 'আত্মন' বা ভগৱানক পাব পৰাকৈ সকলো মানুহে সেই শ্ৰেণীৰ জ্ঞান লাভ কৰিব পাৰিবনে? কাৰণ, শংকৰাচাৰ্যৰ 'জ্ঞান' আছিল সম্পূৰ্ণ বৌদ্ধিক (intellectual) জ্ঞান। সেয়ে শংকৰাচাৰ্যৰ দাৰ্শনিক উত্তৰাধিকাৰী ৰামানুজাচাৰ্য (১০১৭—১১৩৭), নিম্বাৰ্ক (১১৩০—১২০০), মাধৱাচাৰ্য (১২৩৮—১৩১৭) আৰু বল্লভাচাৰ্যই (১৪৭৯—১৫৩১) তেওঁৰ জ্ঞানবাদৰ ওপৰত প্ৰশ্ন উত্থাপন কৰিছিল— ইয়াৰ সাৰ্থকতা লৈ। তেওঁলোক কেউজনেই বিভিন্ন ব্যাখ্যাৰে শংকৰাচাৰ্যৰ এই অদ্বৈতবাদী বেদান্ত দৰ্শনৰ ফলপ্ৰসূতাৰ ওপৰত সন্দেহ প্ৰকাশ কৰি কৈছিল যে শংকৰাচাৰ্যৰ 'জ্ঞান' হ'ল এটা অতি উচ্চ পৰ্যায়ৰ বৌদ্ধিক জ্ঞান। ভাগৱতপ্ৰাপ্তিৰ এই জ্ঞান আয়ত্ত কৰিব পৰাটো সাধাৰণ মানুহৰ বাবে সহজ আৰু সম্ভৱ নহয়; সেয়ে তেওঁলোকে সেই পৰম ব্ৰহ্মৰূপী দেৱতা বিষ্ণুৰ উপাসনাৰ মাধ্যমৰূপে জ্ঞানৰ ঠাইত 'ভক্তি'ৰ অৱতাৰণা কৰে। কাৰণ ভক্তি অতি সহজ পথ। বৌদ্ধিক ৰীতি-নীতিৰ বাহিৰত হোৱা বাবে কোনো ধৰণৰ জটিলতা ইয়াত নাই। ৰামানুজ, মাধৱাচাৰ্য, নিম্বাৰ্ক আৰু বল্লভাচাৰ্যৰ এই ভক্তিবাদী দৰ্শনৰ জনপ্ৰিয়তায়েই তেওঁলোকৰ পৰৱৰ্তী কালত সমগ্ৰ ভাৰতবৰ্ষতে 'ভক্তি আন্দোলন' (Bhakti Movement) নামে এক সৰ্বব্যাপী আন্দোলন সৃষ্টি কৰিলে বুলি বহুতো পণ্ডিতে বিশ্বাস কৰে।

ভক্তি শব্দৰ অৰ্থ সৰল। ইয়াৰ অৰ্থ ভালপোৱা। পানিনীয়ে তেওঁৰ 'অষ্টাধ্যায়ী'ত ইয়াৰ অৰ্থ দিছে এইদৰে যে ভক্তি হ'ল অতি ভালপোৱা বা কাৰোবাক অনুভূতিৰ বোলেৰে ভজনা কৰা। তেওঁ শব্দটো অৰ্থাৎ 'ভক্তি'ক বিশেষ কোনো বস্তু বা ব্যক্তিৰ লগত ৰজিতা খুৱাই ব্যৱহাৰ আৰু ব্যাখ্যা কৰি দেখুৱাইছে। 'ভক্তি' শব্দটো 'ভজ্' ধাতুৰপৰা ওলাইছে। ইয়াৰ লগত 'ক্তিন্' প্ৰত্যয় যোগ হৈ ভক্তি হৈছে। ইয়াৰ অৰ্থ ভজনা বা প্ৰশংসা কৰা বা ভাল পোৱা।

কোনো কোনো ঐতিহাসিকে ধাৰণা কৰে যে ইছলাম ধৰ্মৰ আগমনে ভাৰতত ভক্তি ধৰ্মৰ ভেটি ৰচনা কৰিছিল। তেওঁলোকৰ মতে একেশ্বৰবাদ ইছলাম ধৰ্মৰ প্ৰধান বৈশিষ্ট্য। তদুপৰি সহজ বিশ্বাস আৰু জটিল ক্ৰিয়া-কাণ্ডহীন ইছলাম ধৰ্মই জটিল বৈদিক ক্ৰিয়া-কাণ্ডপ্ৰধান বহুত্ববাদী ব্ৰাহ্মণ্যধৰ্মৰ বিপৰীতে মানুহক বিশেষভাৱে আকৰ্ষণ কৰিব পাৰিছিল। ইয়াৰ উপৰি ইছলাম ধৰ্মত বৰ্ণাশ্ৰম প্ৰথা বা ব্যৱস্থাও নাছিল। গতিকে সমসাময়িক হিন্দু ধৰ্মীয় ৰীতি-নীতিৰ প্ৰতি ইছলাম ধৰ্ম আছিল একপ্ৰকাৰ প্ৰত্যাহ্বান। তেনে আকাংক্ষিত প্ৰত্যাহ্বানৰ বিপৰীতে ভক্তি আছিল এক অতি ফলপ্ৰসূ আত্মৰক্ষাৰ উপায়। অৱশ্যে এই মত বহু পৰিমাণে দুৰ্বল। কাৰণ ভক্তি এটা দৰ্শন হিচাপে ভাৰতবৰ্ষত প্ৰাচীনকালৰ পৰাই আছিল।

ভক্তি আন্দোলনত বহুতো সংস্কাৰমুখী আৰু প্ৰতিবাদী বৈশিষ্ট্য আছিল। বিশেষতঃ এই আন্দোলনে ভগৱান উপাসনা কৰিবৰ উপায় সহজ আৰু সহজলভ্য কৰি বৰ্ণ-শ্ৰেণী নিৰ্বিশেষে সকলোৰে বাবে এই পথ উন্মুক্ত কৰি দিলে— ভগৱানৰ নামৰ শ্ৰৱণ, কীৰ্তনৰ মাধ্যমেৰে। এইদৰে ভক্তিৰ দুৱাৰ সকলোৰে বাবে উন্মুক্ত কৰি দি মানুহৰ সামাজিক বৈষম্য দূৰ কৰাত ই বহুদূৰ সহায় কৰিলে। দুৰ্বোধ্য সংস্কৃত ভাষাত আবদ্ধ শাস্ত্ৰৰ বচন সাধাৰণ মানুহৰ ভাষালৈ ৰূপান্তৰ কৰি ই সকলোৰে বাবে শাস্ত্ৰৰ জ্ঞানো পাব পৰা কৰিলে; ফলত বৈদিক ক্ৰিয়া-কাণ্ড আৰু পুৰোহিতবাদে প্ৰবল প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব লগা হৈছিল। সহস্ৰ দেৱ-দেৱীৰ ঠাইত 'এক দেৱ এক সেৱ'ৰ উত্থানে বহুত্ববাদী ধৰ্মীয় ধাৰণাৰো সৰলীকৰণ কৰিলে।

ভক্তিবাদৰ এনেবোৰ বৈশিষ্ট্যৰ ভিতৰতে ইয়াৰ উত্থানৰ কাৰণবোৰ বিচাৰি পোৱা যায়। অৰ্থাৎ সমসাময়িক ধৰ্মপন্থাবোৰৰ মাজত সোমাই পৰা তন্ত্ৰ-মন্ত্ৰ আৰু যাদু-বিদ্যা, জটিল ব্ৰাহ্মণ্য ক্ৰিয়া-কাণ্ড জড়িত পুৰোহিতকেন্দ্ৰিক ধৰ্ম, বৰ্ণাশ্ৰম প্ৰধান সমাজ ব্যৱস্থাত ইছলামৰ প্ৰৱেশ ইত্যাদি নানান শক্তিয়ে ভক্তি আন্দোলন গঢ়ি উঠাত সহায় কৰিছিল। এই আন্দোলনৰ মুখ্য উদ্দেশ্য আছিল প্ৰচলিত হিন্দু ধৰ্মৰ জটিল ক্ৰিয়া-কাণ্ডৰ সৰলীকৰণ কৰা, আৰু হিন্দু-মুছলমান আদি সকলো সম্প্ৰদায়ৰ লোকেই গ্ৰহণ কৰিব পৰাকৈ এটা সাৰ্বজনীন হিন্দু উপাসনা পদ্ধতি আৱিষ্কাৰ কৰা।

অসমত এই নতুন ভক্তি আন্দোলনৰ গুৰি ধৰোঁতা আছিল মহাপুৰুষ শংকৰদেৱ (১৪৪৯—১৫৬৮), মাধৱদেৱ (১৪৮৯—১৫৯৬), হৰিদেৱ আৰু দামোদৰদেৱ (১৪৮৮—১৫৯৮)। শংকৰদেৱ আৰু তেওঁৰ প্ৰধান শিষ্য মাধৱদেৱ উভয়ে আহোম ৰাজ্যৰ প্ৰজা আছিল। ভাৰতৰ বিভিন্ন ঠাইত সুদীৰ্ঘ বাৰ বছৰ কাল ভ্ৰমণ কৰি সমসাময়িক ভাৰতবৰ্ষত হোৱা ভক্তি আন্দোলনৰ অভিজ্ঞতাৰে পুষ্ট হৈ শংকৰদেৱে প্ৰথমে তেওঁৰ ধৰ্ম সংস্কাৰ আন্দোলন আৰম্ভ কৰে স্বৰ্গদেউ চুহুংমং দিহিঙীয়া ৰজাৰ দিনত (১৪৯৭—১৫৩৯)। তেওঁ ভাগৱত পুৰাণ, ভাগৱত গীতা আৰু ভক্তিসূত্ৰৰ নাৰদ আৰু শাণ্ডিল্যৰ মূল দৰ্শনৰ ওপৰত ভিত্তি কৰি একেশ্বৰবাদী বৈষ্ণৱ ধৰ্ম প্ৰচাৰ আৰম্ভ কৰে। সহস্ৰাধিক দেৱ-দেৱীক পূজা নকৰি একমাত্ৰ এজন দেৱতাৰ (বিষ্ণু বা কৃষ্ণ) একান্ত ভক্তি ভাৱেৰে উপাসনা কৰিবলৈ শিক্ষা দিয়াৰ বাবেই তেওঁৰ এই 'সংস্কাৰমূলক ধৰ্ম' বিশ্বাসক 'একশৰণীয়া বৈষ্ণৱ ধৰ্ম' বোলা হয়। ভাগৱতৰপৰাই এই

Daily Assam

একশ্বৰবাদী ধৰ্মৰ মূল কথাবোৰ লোৱা হৈছিল কাৰণে ইয়াক ‘ভাগৱতী ধৰ্ম’ও বোলে। আনহাতে এই ধৰ্মবিশ্বাসক মহাপুৰুষীয়া ধৰ্ম বুলিও কোৱা হয়, কাৰণ শংকৰদেৱ আৰু মাধৱদেৱক তেওঁৰ অনুগামীসকলে ‘মহাপুৰুষ’ আখ্যা দিছিল। এই ধৰ্মই ভক্তিমাৰ্গক বিশ্বাস কৰে। য'ত ভগৱানৰ নাম শ্ৰৱণ-কীৰ্তন আছিল এই পন্থৰ প্ৰধান পদ্ধতি। সেয়েহে ইয়াক কোনো কোনো সময়ত ‘নামধৰ্ম’ও বোলা হয়।

গতিকে দেখা যায় যে মহাপুৰুষীয়া বৈষ্ণৱ ধৰ্মৰ প্ৰধান বৈশিষ্ট্য হ'ল ইয়াৰ একেশ্বৰবাদী দৰ্শন। সেইজন ঈশ্বৰেই হ'ল বিষ্ণু বা কৃষ্ণ। একশৰণীয়া শিষ্যসকলৰ বাবে আন দেৱ-দেৱীৰ পূজা একেবাৰে নিষিদ্ধ। ইয়াত জাতি-বৰ্ণ-ধৰ্ম নিৰ্বিশেষে সকলো লোকক ধৰ্মীয় ভিত্তিত সমান বুলি বিবেচনা কৰা হৈছিল। এই আধ্যাত্মিক সাম্যভাৱৰ আদৰ্শই বিভিন্ন গোষ্ঠীৰ সাধাৰণ মানুহক আকৰ্ষণ আৰু একেলগ কৰিব পাৰিছিল। তদুপৰি এই ধৰ্ম আছিল অত্যন্ত সহজ; ভগৱানৰ ওচৰত নিজক সমৰ্পণ কৰিলে ভগৱানে ভক্তক সকলো বিপদৰপৰা উদ্ধাৰ কৰে, আৰু মুখত ভগৱানৰ নাম উচ্চাৰণ কৰিলেই সকলো পাপ বা বিপদ দূৰ হয়।

“একনামে য'ত পাপ সংহৰিতে পাৰে,
ততেক পাতকী পাপ কৰিতে নপাৰে।”

এইয়ে আছিল ইয়াৰ তত্ত্ব।

যি কি নহওক, নৱবৈষ্ণৱ ধৰ্মৰ এটা অতি গুৰুত্বপূৰ্ণ বৈশিষ্ট্য হ'ল— ই ব্যক্তিগত সাধনাতকৈ সামূহিক উপাসনা আৰু আচৰণতহে অধিক গুৰুত্ব দিছিল। ড° বাণীকান্ত কাকতিৰ মতে, “এই ধৰ্ম কাণে কাণে গোপনে কোৱা নীতি কিছুমানৰ সমষ্টি নাছিল। ৰাজহুৱা ধৰ্ম সভাত আৰু উৎসৱৰ ঠাইত ইয়াক ঘোষণা কৰি কোৱা হৈছিল, আৰু মানুহে যেতিয়া দৈনন্দিন কামৰ মাজত গীতৰ সহায়েৰে অন্তৰৰ জুৰণি বিচাৰিছিল, তেতিয়া এই ধৰ্মৰ ধ্বনি-প্ৰতিধ্বনি উঠিছিল। এনে সামূহিক উপাসনাৰ বাবেই শংকৰদেৱে ‘নামঘৰ’ উলিয়াইছিল।



নামঘৰত নাম প্ৰসংগৰ দৃশ্য

মহাপুৰুষীয়া বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰৰ তাড়নাত কিছুমান নতুন সাহিত্যৰ আৱশ্যক হৈছিল। গতিকে শংকৰদেৱে নিজে আৰু তেওঁৰ ভক্ত সংগীসকলৰ দ্বাৰাই মাতৃভাষাত সংগীত, নাটক, কাহিনী আৰু ভক্তিমূলক প্ৰাৰ্থনা আদি ৰচনা কৰাই ধৰ্ম প্ৰচাৰ কৰিছিল। শংকৰদেৱে নিজে ৰাজহুৱাকৈ গীত গাই,

অভিনয় কৰি দেখুৱাইছিল। এইদৰে জনসাধাৰণৰ বোধগম্য ভাষাত তেওঁ ধৰ্মৰ বাণী প্ৰচাৰ কৰিছিল। সেইবাবে ভক্তি আন্দোলনৰ ফলস্বৰূপে ভাৰতৰ সকলো ঠাইতে দেশীয় প্ৰাদেশিক ভাষাৰ উৎকৰ্ষ সাধন হৈছিল আৰু ক্ৰমে ধৰ্মক্ষেত্ৰখনত সংস্কৃত ভাষাৰ প্ৰাধান্য কমি গৈছিল। মহাকাব্যৰ উপৰি বিভিন্ন পুৰাণ, বিশেষকৈ ভাগৱত পুৰাণ আদি শাস্ত্ৰ অসমীয়া ভাষালৈ অনূদিত হৈছিল। শংকৰদেৱৰ 'কীৰ্ত্তন ঘোষা' আৰু মাধৱদেৱৰ 'নাম ঘোষা'ও সেই সময়ত সৃষ্টি হোৱা অসমীয়া ভাষাৰ অনবদ্য সাহিত্য সম্ভাৰ। এইখিনিৰ উপৰিও ৰামায়ণ, মহাভাৰতৰ অসমীয়া অনুবাদ হৈছিল, গীত পুথি ৰচনা হৈছিল। তেওঁলোকে নাটক লিখিছিল, আৰু সংস্কৃত ভাষাত থকা গীতা, ভাগৱত, উপনিষদৰ মূল্যৱান শ্লোকসমূহ সংগ্ৰহ কৰি গ্ৰন্থ প্ৰস্তুত কৰিছিল। মাধৱদেৱৰ 'ভক্তি ৰত্নাৱলী' তেনে এখন গ্ৰন্থ। বিষ্ণুপুৰী সন্ন্যাসী নামৰ এজন ভক্তই বাৰানসীত এই গ্ৰন্থ সংস্কৃত ভাষাত ৰচনা কৰিছিল— ভাগৱত পুৰাণৰ সাৰ কাঢ়ি নি। পিছত মহাপুৰুষ শংকৰদেৱৰ ইচ্ছাত মাধৱদেৱে ইয়াৰ অসমীয়া অনুবাদ আগ বঢ়ায়। সেইদৰে শংকৰদেৱে নিজে সকলো শাস্ত্ৰৰ সাৰ কাঢ়ি নি সংস্কৃত ভাষাত 'ভক্তি ৰত্নাকৰ' গ্ৰন্থ ৰচনা কৰিছিল। এইদৰে ধৰ্ম, দৰ্শন, গীত, নাটৰ সাহিত্যৰে ভক্তিগুৰুসকলে এক অনন্য বৌদ্ধিক বিপ্লৱ সৃষ্টি কৰিছিল।

শংকৰদেৱ আৰু মাধৱদেৱৰ পিছতো সাহিত্য সৃষ্টিৰ ধাৰা বৰ্তি আছিল। সেইদৰে পিছৰ যুগত ভট্টদেৱ, গোপাল আতা বা গোপাল দেৱ, অনিৰুদ্ধদেৱ আদিয়ে ধৰ্মীয় সাহিত্য সৃষ্টি কৰিছিল। খ্ৰীঃ ১৭ শ শতিকাৰ পৰা গুৰুসকলৰ জীৱনীগ্ৰন্থ কিছুমানো ৰচনা হৈছিল। এইবোৰক 'চৰিত পুথি' বা 'গুৰু-চৰিত' বুলি কোৱা হয়।

শংকৰদেৱৰ এই ধৰ্ম প্ৰচাৰৰ মূল সংগঠন আছিল সত্ৰ আৰু নামঘৰ। এই সত্ৰ আৰু নামঘৰৰ মাধ্যমেদি সকলো লোকক একত্ৰ কৰি সহজ-সৰল ভাষাৰে ধৰ্মৰ নিয়ম-নীতিবোৰ পৰিষ্কাৰভাৱে বুজাই দিয়াত সকলো লোকেই সমানে ইয়াৰ প্ৰতি আকৰ্ষিত হৈছিল। অৱশ্যে, প্ৰকৃতপক্ষে সত্ৰ আৰু নামঘৰ ব্যৱস্থাৰ পূৰ্ণ বিকাশ ঘটে শংকৰদেৱৰ মৃত্যুৰ পিছত তেওঁৰ প্ৰধান শিষ্য মাধৱদেৱ আৰু দামোদৰদেৱৰ সময়ৰ পৰাহে।

শংকৰদেৱৰ একশৰণীয়া ভাগৱতী বৈষ্ণৱ ধৰ্মৰ সমাজ আৰু সংস্কৃতিলৈ অৱদান অমূল্য। জনজাতি আৰু হিন্দু সমাজৰ তথাকথিত নিম্ন বৰ্ণৰ লোকসকলক সমাদৰ কৰি ধৰ্মীয় স্থানত তেওঁলোকক উচ্চ বৰ্ণৰ সমানে আসন দি তেওঁ যি আধ্যাত্মিক সাম্যবাদী আদৰ্শ দাঙি ধৰিছিল, তাৰ ফলতেই অসমীয়া সমাজত বৰ্ণ-বিদ্বেষৰ ভাব বহু পৰিমাণে লাঘৱ হৈছিল। ধৰ্মশাস্ত্ৰসমূহৰ জটিল কথাবোৰ মানুহে বুজিব পৰা সহজ-সৰল ভাষালৈ ৰূপান্তৰ কৰি তেওঁ এহাতে বৈষ্ণৱ ধৰ্মৰ ভেটি প্ৰশস্ত কৰিছিল, আৰু আনহাতে চহা-হোজা সমাজখনৰ আধ্যাত্মিক আৰু বৌদ্ধিক জীৱনৰ উত্তৰণ ঘটাইছিল। নতুন ধৰ্মত সমূহীয়া উপাসনাৰ বাবে নামঘৰ গঢ়ি তুলি তেওঁ অন্য এক অনন্য অৱদান দি থৈ গৈছে। এই নামঘৰবিলাকতেই নিয়মীয়াকৈ নাম-প্ৰসংগ আৰু ধৰ্মৰ জটিল কথাবোৰৰ সহজ-সৰল আলোচনা চলিছিল।

ড° বাণীকান্ত কাকতিৰ ভাষাত "এই নৱ-চৈতন্যৰ কেন্দ্ৰস্বৰূপে ধৰ্ম সত্ৰবোৰ স্থাপন কৰা হৈছিল, আৰু আত্মা আৰু মন তাৰ ওচৰত অৰ্পণ

Daily Assam

কৰা হৈছিল। এই আঞ্চলিক অনুষ্ঠানবোৰে নৈতিক নিয়মবোৰ বান্ধি দিছিল, আৰু সমাজৰ কাৰ্যকলাপবোৰ শাসনৰ ভিতৰত ৰাখিছিল। সত্ৰৰ ক্ষুদ্ৰ সংস্কৰণ হিচাপে গাঁৱলীয়া নামঘৰবোৰ সজা হৈছিল। এই নামঘৰবোৰে একাধাৰে গাঁৱলীয়া বিধানসভা, বিচাৰালয়, পঢ়াশালি আৰু প্ৰাৰ্থনাগৃহৰ কাম কৰিছিল। সদা পৰিৱৰ্তনশীল ৰাজনৈতিক অৱস্থাৰ মাজত এই অনুষ্ঠানবোৰে অসমীয়া সমাজৰ ধৰণীস্বৰূপ কাম কৰিছিল। ... সুদিন, দুৰ্দিন সকলো সময়তে জীৱনৰ শক্তিমান কেন্দ্ৰ হিচাপে এই অনুষ্ঠানবোৰে যোগ্য সমাদৰ লাভ কৰিছিল।"

সংগীত, নৃত্য, বাদ্য আদি সকলোতে নৱবৈষ্ণৱ যুগৰ দান অতুলনীয়। ই অসমত এটা নতুন জীৱন, নতুন সাহিত্য আৰু নতুন ৰাষ্ট্ৰ দান কৰিলে। এইদৰে জনজাতীয় আৰু অজনজাতীয় গোষ্ঠীসমূহৰ মিলনত গঢ়ি উঠিব ধৰা বহল সমূহীয়া সমাজখনৰ সাংস্কৃতিক প্ৰয়োজন আৰু পৰ্যায়লৈ চকু দিয়েই' বৈষ্ণৱ গুৰুসকলে তেওঁলোকৰ শিল্প-সাহিত্য গঢ়ি তুলিছিল। এহাতে তেওঁলোকৰ ৰুচি অধিক মাৰ্জিত, সংস্কৃত, অধ্যয়নপুষ্ট মনৰ প্ৰভাৱেৰে উন্নত কৰা, আৰু আনহাতে তেওঁলোকৰ মানসিকতাই ঢুকি পোৱাকৈ লোকায়ত সাহিত্য ৰচনা কৰা এই দ্বিমুখী কাৰ্য সম্পন্ন কৰিছিল অবিস্মৰণীয় সফলতাৰে। সেয়েহে নৱ-বৈষ্ণৱ ধৰ্মই অসমীয়া জাতীয় জীৱনক সকলো দিশৰপৰাই সজাই-পৰাই ইয়াক পৰিৱৰ্তিত আৰু পৰিৱৰ্ধিত কৰিব পাৰিছিল। ই অসমীয়া মানুহৰ এক নিৰ্দিষ্ট পৰিচয় ৰচনা কৰি থৈ গৈছে।

### ইছলাম ধৰ্ম ঃ

অসমলৈ মুছলমানসকলৰ আগমন ঘটিছিল যুদ্ধ অভিযানৰ যোগেদি। ১২০৫ খ্ৰীঃত বংগৰ প্ৰাদেশিক শাসনকৰ্তা মহম্মদ বিন বখ্‌তিয়াৰে ৰাজ্য সম্প্ৰসাৰণৰ হাবিয়াস লৈ কামৰূপ আক্ৰমণ কৰিছিল যদিও এই যুদ্ধ যাত্ৰাত তেওঁ সফলতাৰ মুখ নেদেখিলে। মিনহাজ উদ্দিন চিৰাজৰ 'তাবাকাত-ই-নাছিৰি' গ্ৰন্থত থকা বৰ্ণনা মতে বখ্‌তিয়াৰৰ এই আক্ৰমণৰ মূল উদ্দেশ্য আছিল কামৰূপৰ মাজেদি গৈ তিব্বত, চীন বা তুৰ্কীস্তান জয় কৰা। পিছে প্ৰাকৃতিক দুৰ্যোগ, অপৰিচিত ভৌগোলিক সীমাত মুছলমান সৈন্যসকল তিষ্ঠি থাকিব নোৱাৰি পৰাজিত হ'ল। সেই সময়ত কামৰূপৰ ৰজা আছিল পৃথু বা বাৰ্তু। মুছলমান সৈন্যৰ এই পৰাজয়ৰ কাহিনী উত্তৰ-গুৱাহাটীৰ কানাই বৰশী শিলালিপিত অতি সংক্ষেপে লিপিবদ্ধ আছে। সেই আক্ৰমণৰ সময়ত কোনো তুৰ্কী সৈন্য থাকি যোৱাৰ সাক্ষ্য প্ৰমাণ নাই। পিছে বখ্‌তিয়াৰ খিলজিক পদ প্ৰদৰ্শন কৰা ইছলাম ধৰ্মত দীক্ষিত মেচ জাতীয় এজন লোকৰ তথ্য পোৱা যায়। প্ৰণিধানযোগ্য যে ইছলাম ধৰ্মত দীক্ষা লোৱা বিষয়টোৱে এক নতুন চিন্তাৰ সঞ্চাৰ কৰিছে।

এই আক্ৰমণৰ পাছত ক্ৰমে গিয়াছুদ্দিন ইৱাজ (১২২৭ খ্ৰীঃ), নাছিৰউদ্দিন (১২২৮ খ্ৰীঃ), টুঘ্ৰিল খাঁ (১২৫৭ খ্ৰীঃ) ই কামৰূপ আক্ৰমণ কৰিছিল। মুঠৰ ওপৰত কামৰূপৰ লগত মুছলমানসকলৰ সম্পৰ্ক যুদ্ধৰ যোগেদিয়েই ঘটিছিল। সমান্তৰালভাৱে কোনো কোনো জনজাতীয় লোকক তেওঁলোকে ইছলাম ধৰ্ম গ্ৰহণ কৰোৱাই পথ প্ৰদৰ্শক হিচাপে নিয়োগ কৰোৱা কাৰ্যই ঐতিহাসিক গুৰুত্ব বহন কৰিছে। একেদৰে এনে আক্ৰমণবোৰৰ পাছত বহুতো মুছলমান সৈন্য নিজ ঠাইলৈ ঘূৰি নগৈ থলুৱা লোকসকলৰ লগত মিলা-মিচা কৰি, বৈবাহিক সম্পৰ্কৰ যোগেদি স্থায়ীভাৱে ব্ৰহ্মপুত্ৰ উপত্যকাত বাস কৰিবলৈ ধৰিলে। সামাজিকভাৱে নিম্নস্তৰৰ বুলি স্বীকৃত বহু হিন্দুৱেও

বৰ্ণ বৈষম্যহীন ইছলাম ধৰ্মগ্ৰহণ কৰি এই গতিত নতুন মাত্ৰা দিলে।

আহোম শাসন কালত মুছলমানসকলে অন্যান্য লোকসকলৰ দৰেই বিষয়বাব পাইছিল। গুৰুত্বপূৰ্ণ সামৰিক পদবীত থকা তেনে এজন বিষয়া আছিল ইছমাইল চিদ্দিকী হাজৰিকা বা বাঘ হাজৰিকা। গতিকে অসমীয়া মুছলমানসকলে মোগলৰ হাতৰ পৰা অসম ৰক্ষাৰ নিমিত্তে প্ৰাণেপণে যুদ্ধ কৰিছিল। য'ত ধৰ্মৰ আৱেগতকৈ দেশাত্মবোধেহে আগস্থান পাইছিল। মধ্যযুগত অসমীয়া মুছলমানসকলৰ মাজত ধৰ্মীয় পৃথকতা থাকিলেও সামাজিকভাৱে তেওঁলোক হাড়ে-হিমজুৱে অসমীয়া হৈ পৰিছিল। অসমত জাতি-বৰ্ণ নিৰ্বিশেষে শ্ৰীমন্ত শংকৰদেৱে প্ৰচাৰ কৰা নৱ-বৈষ্ণৱ ধৰ্মৰ নীতিত প্ৰভাৱিত হৈ বৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰা চান্দসাইয়ে ধৰ্ম নিৰপেক্ষতাৰ উৎকৃষ্ট চানেকি দাঙি ধৰিছে। চান্দসাই বা চান্দখাঁই ৰচনা কৰা গীতত বৈষ্ণৱ পন্থাৰ প্ৰসংগীয় সুৰ অনুৰণিত হয়। একেদৰে সুদূৰ বাগদাদৰ পৰা অহা পীৰ শ্বাহ মিৰান বা আজান ফকীৰে দেহবিচাৰৰ গীতৰ আৰ্হিত জিকিৰ আৰু জাৰী প্ৰচলন কৰি অসমত ছুফী ধাৰাৰ প্ৰচলন ঘটায়।

### খ্ৰীষ্টান ধৰ্মঃ

ইয়াণ্ডাবু সন্ধিৰ পাছত ব্ৰিটিছে অসমত ৰাজনৈতিক অধিকাৰ সাব্যস্ত কৰাৰ সমান্তৰালভাৱে সামাজিক সংস্কাৰ তথা ধৰ্ম প্ৰচাৰৰ খাতিৰত খ্ৰীষ্টান মিছনেৰীসকলক ইয়ালৈ আমন্ত্ৰণ কৰে। সেই সময়ত অসমীয়া লোকসকলে স্থানীয় ধৰ্মবিশ্বাসৰ স'তে একাত্ম হৈ থকাৰ হেতুকে খ্ৰীষ্টান ধৰ্ম প্ৰসাৰত তেওঁলোকে বিশেষ সুবিধা কৰিব পৰা নাছিল যদিও সামাজিকভাৱে অৱহেলিত, দণ্ডিত কেতবোৰ লোকক মিছনেৰীসকলে শৰণাপন্ন কৰি অসমত ভেটি প্ৰতিষ্ঠাৰ বাট মোকলাইছিল। পোনপ্ৰথমে জয়পুৰত খোপনি পোতা মিছনেৰীসকলে বিভিন্ন কাৰণত ১৮৪১ খ্ৰীঃত শিৱসাগৰলৈ নিজৰ মুখ্য কাৰ্যালয় সলনি কৰে। অসমত মিছনেৰীসকলক নেতৃত্ব দিছিল নাথান ব্ৰাউন আৰু মাইলছ ব্ৰন্সনে। তেওঁলোকেই নিধিৰাম কেওঁট নামৰ এজন অনাথক নিধি লেভি ফাৰৱেল নাম দি প্ৰথম খ্ৰীষ্টান ধৰ্মত দীক্ষা দিয়াইছিল। পৰৱৰ্তী সময়ত আত্মাৰাম শৰ্মাই এই ধৰ্ম লৈছিল; যি বাইবেলখন অসমীয়ালৈ অনুবাদ কৰিছিল। পাছত প্ৰথম অসমীয়া ছপা পুথিৰূপে এই বাইবেলখনেই প্ৰকাশ হৈ ওলায়। খ্ৰীষ্টান মিছনেৰীসকলৰ মূল উদ্দেশ্য ধৰ্মপ্ৰচাৰ আছিল যদিও ইয়াৰ দ্বাৰা অসমীয়া ভাষা-সাহিত্যৰো যথেষ্ট উন্নতি হৈছিল। তেওঁলোকৰ দ্বাৰাই অসমলৈ ছপাযন্ত্ৰৰ আমদানি ঘটিছিল। গ্ৰন্থ প্ৰকাশৰ দ্বাৰা তেওঁলোকে অসমীয়া সাহিত্যলৈ যথেষ্ট অৱদান আগ বঢ়াইছিল। অসমীয়া বুৰঞ্জী সাহিত্যসমূহো ছপা আকাৰত তেওঁলোকেই প্ৰকাশ কৰি উলিয়াইছিল।

সাধাৰণতে সমাজৰ অৱহেলিত শ্ৰেণীটোক কেন্দ্ৰ কৰি খ্ৰীষ্টান ধৰ্মই ঠন ধৰি উঠিছিল। হিন্দু ধৰ্মৰ পৰা বিতাৰিত লোকসকলকো তেওঁলোকে আঁকোৱালি লৈছিল। দেখা যায় যে জনজাতীয় লোকসকল মূলতঃ এই ধৰ্মৰ প্ৰতি বিশেষভাৱে আকৰ্ষিত হৈছিল। সামাজিকভাৱে উচ্চ স্থিতি আহৰণৰ চেষ্টাত তেওঁলোকে এই ধৰ্ম গ্ৰহণ কৰিছিল। অৱশ্যে কোনো কোনো ক্ষেত্ৰত এই ধাৰণাই জনজাতিসকলৰ মাজত থকা নিজস্ব বিচাৰ ধাৰাৰ বিনাশ ঘটাইছিল। যি কি নহওক, সমাজৰ নিম্নবৰ্গৰ লোকসকলক আগ বঢ়াই আনি জ্ঞানৰ পোহৰ দেখুওৱাত খ্ৰীষ্টান ধৰ্মৰ বিশেষ ভূমিকা আছে।

Daily Assam

Daily Assam



## জানিবলগীয়া তথ্য

- টাই ভাষাত 'বুৰঞ্জী' মানে মূৰ্খ বা নজনা মানুহৰ শিক্ষাৰ ভঁৰাল (বু— মূৰ্খ বা অজ্ঞ, ৰণ— শিক্ষা, জী— ভঁৰাল)।
- প্ৰথম অৱস্থাত লিখা বুৰঞ্জীসমূহৰ ভাষা টাই আছিল।
- কীৰ্তিচন্দ্ৰ বৰবৰুৱাই নিজ অভিসন্ধি পূৰণৰ কাৰণে বহুত মূল্যৱান বুৰঞ্জী পুথি জুইত পুৰি ধ্বংস কৰে।
- সূৰ্যখড়ি দৈৱজ্ঞই দৰং ৰাজবংশাৱলী প্ৰণয়ন কৰে।
- আহোম আৰু কোঁচ ৰজাৰ ৰাজসভাত বহুতো অনুবাদ-সাহিত্যৰ সৃষ্টি হৈছিল।
- শঙ্কৰদেৱে নাটক বুজাবলৈ 'যাত্ৰা' শব্দ ব্যৱহাৰ কৰিছিল
- আজান ফকীৰে 'জিকিৰ' আৰু 'জাৰি' ৰচনা কৰি আধ্যাত্মিক চেতনাৰ উৎকৰ্ষ সাধন কৰিছিল।
- প্ৰাচীন আৰু মধ্যযুগৰ কালছোৱাত ৰাজ্য এখন গঠন আৰু বিকাশৰ প্ৰক্ৰিয়াত মানুহৰ ধৰ্মবিশ্বাস এটা অতি প্ৰভাৱশীল উপাদান আছিল।
- প্ৰাক্-মধ্যযুগৰ কালছোৱাত উত্তৰ ভাৰততো ধৰ্মীয় পাৰিপাৰ্শ্বিকতা প্ৰায় একেধৰণৰে আছিল।
- 'ভক্তি' শব্দটো 'ভজ্' ধাতুৰপৰা ওলাইছে।
- অসমত নৱ-বৈষ্ণৱ ভক্তি আন্দোলনৰ গুৰি ধৰোঁতা আছিল মহাপুৰুষ শংকৰদেৱ।
- কামৰূপৰ লগত মুছলমানসকলৰ সম্পৰ্ক যুদ্ধৰ যোগেদিয়েই ঘটিছিল।
- শ্ৰীমন্ত শংকৰদেৱে প্ৰচাৰ কৰা নৱ-বৈষ্ণৱ ধৰ্মৰ নীতিত প্ৰভাৱিত হৈ বৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰা চান্দসাইয়ে ধৰ্ম নিৰপেক্ষতাৰ উৎকৃষ্ট চানেকি দাঙি ধৰিছে।
- অসমত মিছনেৰীসকলক নেতৃত্ব দিছিল নাথান ব্ৰাউন আৰু মাইলছ ব্ৰন্সনে।

## অনুশীলনী

১। (ক) 'বুৰঞ্জী' শব্দৰ অৰ্থ কি?
(খ) দৰং ৰাজবংশাৱলীৰ প্ৰণেতা কোন?
(গ) হস্তীবিদ্যাৰ্ণৱ কোনে ৰচনা কৰিছিল?
(ঘ) শংকৰাচাৰ্যই কোনটো বিশেষ মতবাদৰ প্ৰৱৰ্তন কৰিছিল?
(ঙ) শ্ৰীমন্ত শঙ্কৰদেৱে ভাগৱত শাস্ত্ৰৰ সাৰ কাৰ পৰা পাইছিল?
(চ) 'হস্তীবিদ্যাৰ্ণৱ' পুথিৰ চিত্ৰ কোনে আঁকিছিল?

২। বুৰঞ্জী সাহিত্য কি? সমসাময়িক সমাজৰ অৱস্থা বুজাত ইয়াৰ প্ৰায়োগিকতা বৰ্ণনা কৰা।

৩। অসমত ধৰ্মীয় পৰম্পৰাসমূহে কিদৰে গতি লাভ কৰিছিল আলোচনা কৰা।

৪। অসমত নৱবৈষ্ণৱ আন্দোলনে কিদৰে সমাজ জীৱন আৰু সাহিত্য-সংস্কৃতি বিকাশত ভূমিকা গ্ৰহণ কৰিছিল আলোচনা কৰা।

৫। অসমীয়া সাংস্কৃতিক জীৱনত চিত্ৰকলাৰ গুৰুত্ব সম্পৰ্কে এক টোকা যুগুতোৱা।

৬। সংগীত কি? বিভিন্ন প্ৰকাৰৰ বাদ্যযন্ত্ৰৰ উল্লেখেৰে অসমত সংগীতৰ ক্ৰমবিকাশ আলোচনা কৰা।

●●●